# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-02-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। মহাকুম্ভৰ পৰম্পৰাই হাজাৰ হাজাৰ বছৰ ধৰি ভাৰতৰ জাতীয় চেতনা পুনৰুজ্জিৱীত কৰি তুলি আহিছে আৰু দেশ তথা সমাজলৈ নতুন পথৰ সন্ধান দি আহিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। প্ৰধানমন্ত্ৰীয়ে আজি দিল্লীত ইউৰোপীয় আয়োগৰ অধ্যক্ষ উৰ্ছুলা ৰ'ন ডেৰ লেয়েনৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হ'ব।

৩। সমগ্ৰ দেশত আজি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন কৰা হৈছে।

৪। বিত্ত সচিব তুহিন কান্ত পাণ্ডেক ভাৰতীয় প্ৰতিভূতি বিনিময় বোৰ্ড ছেবিৰ নতুন অধ্যক্ষ হিচাপে নিয়োগ কৰা হৈছে।

*আৰু*

৫। ভাৰতৰ সিদ্ধান্ত বন্থিয়া আৰু পৰিক্ষিত চোমানিৰ যুঁটীটো বেংগালুৰু অপেন টেনিছ প্ৰতিযোগিতাত পুৰুষৰ ডাবলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

মহাকুম্ভৰ পৰম্পৰাই হাজাৰ হাজাৰ বছৰ ধৰি ভাৰতৰ জাতীয় চেতনা পুনৰুজ্জিৱীত কৰি তুলি আহিছে আৰু দেশ তথা সমাজলৈ নতুন পথৰ সন্ধান দি আহিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে কালি সামাজিক মাধ্যমৰ এটা ব্লগ যোগে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে এইবাৰ ১৪৪ বছৰ পাছত মহাকুম্ভৰ যোগ পৰিছে আৰু এই মহাকুম্ভই ভাৰতৰ উন্নয়নৰ যাত্ৰাত এটা নতুন অধ্যায়ৰ বাৰ্তা দিছে। এই বাৰ্তা বিকশিত ভাৰতৰ বাৰ্তা বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

শ্ৰীমোদীয়ে কয়, যে এই মহাকুম্ভ মেলাত দেশ-বিদেশৰ বিভিন্ন জাতি তথা আদৰ্শৰ লোকে অংশগ্ৰহণ কৰিছিল। প্ৰধানমন্ত্ৰীয়ে কয়, যে এগৰাকী নাগৰিক হিচাপে মই এয়ে কামনা কৰো যে আমি যেন আমাৰ পূৰ্বপুৰুষ আৰু সাধু সন্তসকলৰ স্মৃতিৰ পৰা নতুন অনুপ্ৰেৰণা লাভ কৰো। তেওঁ লগতে জনসাধাৰণক একতাক পথ প্ৰদৰ্শনৰ মূল নীতি হিচাপে গ্ৰহণ কৰিবলৈ আৰু দেশৰ প্ৰতি সেৱা, ভগৱানৰ সেৱা হিচাপে লৈ কাম কৰি যাবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিল্লীত ইউৰোপীয় আয়োগৰ অধ্যক্ষ উৰ্চুলা ৱ'ন ডেৰ লেয়েনৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হ'ব। ইউৰোপীয় আয়োগৰ অধ্যক্ষ লেয়েন কালি দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতত উপস্থিত হয়। তেওঁৰ সৈতে ইউৰোপীয় আয়োগৰ ২৭ গৰাকী আয়ুক্তৰ ভিতৰত ২২ গৰাকী আয়ুক্তও ভাৰতলৈ আহিছে। ইউৰোপীয় দেশসমূহৰ আয়ুক্তসকলক লৈ গঠিত কলেজ অব্ কমিছনাৰৰ এয়া প্ৰথম ভাৰত ভ্ৰমণ। এই ভ্ৰমণে ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক অধিক সুদৃঢ় কৰি তুলিব বুলি আশা কৰা হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীত আয়ুষ খণ্ডৰ এখন উচ্চস্তৰীয় পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত প্ৰধানমন্ত্ৰীয়ে প্ৰতিষেধমূলক স্বাস্থ্যসেৱা, ঔষধি উদ্ভিদৰ খেতিৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতিৰ বিকাশ আৰু পৰম্পৰাগত ঔষধৰ ক্ষেত্ৰত বিশ্বত ভাৰতৰ স্থিতি সবল কৰাত খণ্ডটোৰ অৱদান সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে বিশ্বজুৰি আয়ুষৰ গ্ৰহণযোগ্যতা আৰু স্থায়ী বিকাশ তথা নিয়োগ সৃষ্টিৰ ক্ষেত্ৰত ইয়াৰ সম্ভাৱনাৰ বিষয়ে উল্লেখ কৰি খণ্ডটোৰ স্থিতিস্থাপকতা আৰু বিকাশ সন্দৰ্ভত আলোকপাত কৰে। প্ৰধানমন্ত্ৰীয়ে গৱেষণা আৰু উদ্ভাৱণত গুৰুত্ব আৰোপ কৰি আয়ুষ খণ্ডক অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী জে পি নাড্ডা, প্ৰধানমন্ত্ৰীৰ প্ৰধান সচিব ড° পি কে মিশ্ৰ আৰু অন্যান্য জ্যেষ্ঠ বিষয়াসকলেও বৈঠকত অংশগ্ৰহণ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীৰ সুন্দৰ নাৰ্চাৰীত জাহা এ-খুছৰু ২০২৫ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। ছুফী সংগীতৰ এই বিশাল মহোৎসৱৰ এইবাৰ ২৫ বছৰ উদযাপন কৰা হৈছে। কাইলৈৰ পৰা দুদিনীয়কৈ আয়োজিত এই মহোৎসৱত আমিৰ খুশ্ৰুৰ পৰম্পৰা উদযাপনৰ উদ্দেশ্যে বিশ্বৰ ভিন্ন প্ৰান্তৰ বহুতো শিল্পীৰ সমাগম ঘটিব। বিখ্যাত চিত্ৰ নিৰ্মাতা তথা শিল্পী মুজাফ্ফৰ আলীয়ে ২০০১ চনত এই সংগীত মহোৎসৱৰ শুভাৰম্ভ কৰিছিল। মহোৎসৱৰ সময়ত শ্ৰীমোদীয়ে এখন জিলা- এটা শিল্প নীতিৰ লগতে দেশৰ ভিন্ন প্ৰান্তৰ চিত্ৰকলা, চুটী ছবি আৰু হস্তশিল্প প্ৰদৰ্শিত হ'বলগীয়া টেহ বাজাৰো পৰিদৰ্শন কৰিব।

ooooo

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড় এদিনীয়া ভ্ৰমণসূচীৰে আজি পশ্চিমবংগলৈ যাব। এই ভ্ৰমণৰ সময়ত শ্ৰীধনখড়ে বীৰভূম জিলাত থকা পৱিত্ৰ শক্তিপীঠ-তাৰাপীঠ দৰ্শন কৰি পূজা অৰ্চনা আগবঢ়াব।

উপ ৰাষ্ট্ৰপতিগৰাকীয়ে গৌড়ীয় মিছনৰ প্ৰতিষ্ঠাপক আচাৰ্য শ্ৰীলা ভক্তি সিদ্ধান্ত সৰস্বতী গোস্বামী প্ৰভুপাদৰ ১৫০ বছৰীয়া জয়ন্তী উদযাপনৰ সামৰণি কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

ooooo

সমগ্ৰ দেশত আজি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন কৰা হৈছে। বিশিষ্ট পদাৰ্থবিজ্ঞানী ছাৰ চি ভি ৰমনৰ দ্বাৰা ৰমন প্ৰভাৱ বা ৰমন বিক্ষেপনৰ আৱিষ্কাৰৰ সৈতে সংগতি ৰাখি প্ৰতি বছৰে ২৮ ফেব্ৰুৱাৰীত এই দিৱস পালন কৰা হয়। চি ভি ৰমনে এই আৱিষ্কাৰৰ বাবে ১৯৩০ চনত ন'বেল বঁটা লাভ কৰিছিল। ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে আজি দেশৰ বিভিন্ন প্ৰান্তত ভিন ভিন বিষয়ৰ ওপৰত ভিত্তি কৰি বিজ্ঞান যোগাযোগৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ডাঃ জিতেন্দ্ৰ সিঙে আজি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ কাৰ্যসূচীত ভাগ ল'ব। এইবেলি এই দিৱসৰ

মূল বিষয়বস্তু হৈছে ঃ **বিকশিত ভাৰতৰ বাবে বিজ্ঞান আৰু উদ্ভাৱনৰ ক্ষেত্ৰত বিশ্বৰ নেতৃত্ব বহন কৰিব পৰাকৈ ভাৰতীয় যুৱ প্ৰজন্মৰ সবলীকৰণ।**

০০০০০

বিত্ত সচিব তুহিন কান্ত পাণ্ডেক ভাৰতীয় প্ৰতিভূতি বিনিময় বোৰ্ড ছেবিৰ নতুন অধ্যক্ষ হিচাপে নিয়োগ কৰা হৈছে। তেওঁ পৰৱৰ্তী ৩ বছৰলৈ এই পদত থাকিব। শ্ৰীপাণ্ডে মাধৱি পুৰী বুছৰ স্থলাভিষিক্ত হ'ব। কেন্দ্ৰীয় মন্ত্ৰীসভাৰ নিযুক্তি কমিটীয়ে ছেবিৰ নতুন অধ্যক্ষ হিচাবে তুহিন কান্ত পাণ্ডেৰ নিযুক্তিত অনুমোদন জনাইছে।

০০০০০

বিহাৰ, পশ্চিমবংগ, ছিকিম আৰু নেপালৰ ভালেমান অংশত  আজি নিচেই পুৱা ৰিখটাৰ স্কেলত ৫ দশমিক ৫ প্ৰাবল্যৰ এটা ভূঁইকঁপৰ জোকাৰণি অনুভূত হয়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভৌগোলিক জৰীপ বিভাগে প্ৰকাশ কৰা মতে প্ৰায় ২ বাজি ৩৬ মিনিটত অহা এই ভূমিকম্পৰ অভিকেন্দ্ৰ নেপালৰ বাগমতি জিলাৰ কোদাৰিত আছিল। পশ্চিমবংগৰ শিলিগুৰি, ছিকিমৰ বিভিন্ন অংশ আৰু বিহাৰৰ দাৰভাংগাকে ধৰি বিভিন্ন অঞ্চলত এই ভূঁইকঁপৰ জোকাৰণি অনুভূত হয়।

০০০০০

দিল্লী চৰকাৰে আজি দিল্লী বিধানসভাত পূৰ্বৰ আম-আদমী পাৰ্টীৰ কাৰ্যকালৰ সৈতে জড়িত ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখাগাৰ চমুকৈ কেগৰ আন এখন প্ৰতিবেদন দাখিল কৰিব। জনস্বাস্থ্য আন্তঃগাঁথনি আৰু স্বাস্থ্যসেৱা ব্যৱস্থাপনা সন্দৰ্ভত এই প্ৰতিবেদনখন প্ৰস্তুত কৰি উলিওৱা হৈচে। মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই বিধানসভাত আজি এই প্ৰতিবেদনৰ প্ৰতিলিপি দাখিল কৰিব। ইয়াৰ দুদিন পূৰ্বে বিধানসভাত আপ চৰকাৰৰ সুৰানীতি সন্দৰ্ভত কেগৰ প্ৰতিবেদন দাখিল কৰা হৈছিল।

০০০০০

বিদেশ মন্ত্ৰী ড° এছ্ জয়শংকৰ আৰু দিল্লীৰ উপ ৰাজ্যপাল বিনয় কুমাৰ ছাক্সেনাই কালি নতুন দিল্লীত বসুধৈৱ কুটুম্বকম শীৰ্ষক দশম ভাৰত আন্তঃৰাষ্ট্ৰীয় নৃত্য আৰু সংগীত মহোৎসৱত অংশগ্ৰহণ কৰে। এই মহোৎসৱত ড° জয়শংকৰ আৰু ছাক্সেনাই দেশৰ লগতে ৰাছিয়া, মংগোলীয়া আৰু ৰাৱাণ্ডাৰ শিল্পীসকলৰ নৃত্য-গীত উপভোগ কৰে।

০০০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডা দুদিনীয়া ভ্ৰমণসূচীৰে কালি ওড়িশাৰ ভূৱনেশ্বৰত উপস্থিত হৈছে। মন্ত্ৰীগৰাকীয়ে আজি পুৰীত আয়োজিত ভাৰতৰ জনস্বাস্থ্য সেৱা ব্যৱস্থাত উদ্ভাৱণ আৰু ভাল তথা অনুকৰণীয় অভ্যাস বিষয়ক নৱম ৰাষ্ট্ৰীয় সন্মিলন উদ্বোধন কৰিব। তেওঁ লগতে ষোড়শ উমৈহতীয়া পুণৰীক্ষণ অভিযানৰ প্ৰতিবেদনো মুকলি কৰিব। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানে এই সন্মিলনৰ আয়োজন কৰিছে। ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝি, স্বাস্থ্যমন্ত্ৰী ড° মুকেশ মহালিং আৰু বিভিন্ন ৰাজ্যৰ স্বাস্থ্য সচিবসকলে সন্মিলনৰ উদ্বোধনী কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ কথা আছে। সন্মিলনৰ পাছত শ্ৰীনাড্ডাই পুৰীৰ শ্ৰীজগন্নাথ মন্দিৰ দৰ্শন কৰিব। আজি বিয়লি মন্ত্ৰীগৰাকীয়ে বিজেপি নেতা তথা কাৰ্যকৰ্তাসকলৰ সৈতেও মিলিত হোৱাৰ কথা আছে।

০০০০০

ভাৰতৰ সিদ্ধান্ত বন্থিয়া আৰু পৰিক্ষিত চোমানিৰ যুটীটো বেংগালুৰু অপেন টেনিছ প্ৰতিযোগিতাত পুৰুষৰ ডাবলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। সিদ্ধান্ত আৰু পৰিক্ষিতৰ যুটীটোৱে কালি কোৱাৰ্টাৰ ফাইনেল পৰ্যায়ৰ এখন খেলত নিকলাচ মেজিয়া আৰু বাৰ্ণাৰ্ড টমিক ৭-৫, ৬-০ পোনপটীয়া ছেটত পৰাস্ত কৰে। সিদ্ধান্ত আৰু পৰিক্ষিত আজি ছেমি ফাইনেলত অষ্ট্ৰেলিয়াৰ ব্লেক বেয়লণ্ড আৰু মেথিউ ক্ৰিষ্টোফাৰ ৰোমিয়োছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইয়াৰ পূৰ্বে যোৱাবাৰৰ চেম্পিয়ন ৰাম কুমাৰ ৰামনাথন আৰু ছাকেট মাইনেনীৰ যুটীটোৱে হাইনেক বাৰ্তন আৰু এৰিক ৱানচেলবোইমক ৬-৩, ৬-৩ ছেটত পৰাস্ত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। ৰাম কুমাৰ আৰু ছাকেটৰ যুটীটো আজি ছেমি ফাইনেলত ভাৰতৰ অনিৰুদ্ধ চন্দ্ৰশেখৰ আৰু টাইৱানৰ ৰে হোৰ বিৰুদ্ধে খেলিব।

০০০০০

আফগানিস্তান আজি লাহৰোৰ গাড্ডাফি ষ্টেডিয়ামত হ'বলগীয়া আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব।

ইপিনে, পাকিস্তান আৰু বাংলাদেশৰ মাজৰ কালিৰ খেলখন বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হয়।

০০০০০

গোৱা ফুটবল ক্লাৱে কালি নতুন দিল্লীৰ জৱাহৰলাল নেহেৰু ষ্টেডিয়ামত অনুষ্ঠিত আই এছ এল ফুটবল প্ৰতিযোগিতাৰ এখন খেলত পাঞ্জাৱ ফুটবল ক্লাৱক ১-০ গলত পৰাস্ত কৰে। গোৱাৰ হৈ কাৰ্ল মেকহিউগে বিজয়সূচক গলটো দিয়ে। গোৱা ফুটবল ক্লাৱে বৰ্তমানলৈকে ২২ খন খেলৰ পৰা ৪৫ পইণ্ট লাভ কৰি প্ৰতিযোগিতাৰ পইণ্ট তালিকাত দ্বিতীয় স্থানত আছে।

০০০০০

**সমাপ্ত**